# যাকোবৰ পত্ৰ

১ [১]যাকোবৰ, যি ঈশ্বৰৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ দাস, জগতত সিচঁৰিত হৈ থকা পবিত্ৰবিলাকৰ বাৰ ফৈদৰ লোকলৈ নমস্কাৰ।

### বিশ্বাস আৰু বিবেক

[২]হে মোৰ ভাইবিলাক, যেতিয়া তোমালোকে নানা ধৰণৰ পৰীক্ষাত পৰা তেতিয়া তোমালোকে অতি আনন্দৰ বিষয় যেন মানিবা। [৩]কিয়নো তোমালোকে জানা যে তোমালোকৰ বিশ্বাস যেতিয়া পৰীক্ষাত সফল হোৱা তেতিয়া সেইয়ে ধৈৰ্য্যপূৰ্ণ সহন শক্তিৰে উৎপন্ন হয়। [৪]আৰু সেই ধৈৰ্য্যৰ সহন শক্তিয়ে এক এনে সম্পূৰ্ণতাক জন্ম দিয়ে যেন তোমালোকে সিদ্ধ হোৱা আৰু যেন একো অসম্পূৰ্ণ হৈ নাথাকে।

[৫]সেয়ে যদি তোমালোকৰ কাৰোবাৰ জ্ঞানৰ অভাৱ হয় তেন্তে তেওঁ ঈশ্বৰক যাচনা কৰিব পাৰে।তেওঁ সকলোকে গৰিহণা নকৰাকৈ অকাতৰে দিয়ে। ৫ [৬]কিন্তু বিশ্বাসেৰে যাচনা কৰক।কিঞ্চিতমানো সংশয় কৰিব নালাগে।কিয়নো যি জনে সন্দেহ কৰে, তেওঁ সেই সাগৰৰ ঢৌৰ দৰে হয় যি বতাহত উধুৱা হৈ থাকে। [৭]এনে মানুহে কেতিয়াও তেওঁ প্ৰভুৰ পৰা কিবা পাব বুলি নাভাৱক। [৮]এনে মানুহ দুই মনৰ হয়। তেওঁ নিজৰ সকলো কামবোৰত অস্হিৰ।

### প্ৰকৃত ধন

[৯]সাধাৰণ জীৱনৰ পৰিস্হিতিত থকা ভাইজনে গৌৰৱ কৰক যে ঈশ্বৰে তেওঁক আত্মাৰ ধন দিছে। [১০]আৰু ধনৱন্ত ভাইয়েও গৌৰৱ কৰক কিয়নো ঈশ্বৰে তেওঁক নম্ৰতা দিছে।কিয়নো তেওঁ তৃণৰ ফুলৰ নিচিনা লুপ্ত হৈ যাব। কিয়নো সূৰ্য্যৰ অতি তাপে সৈতে উদয় হয় আৰু তৃণবোৰক শুকুৱাই। [১১]সূৰ্য্যেই অতি তাপে সৈতে উদয় হয় আৰু তৃণবোৰ শুকুৱাই। তাতে তাৰ ফুলবোৰ সৰি পৰে আৰু সৌন্দৰ্য্যও সমাপ্ত হৈ যায়। এইদৰেই ধনৱন্ত মানুহে নিজৰ সকলো গতিতে সমাপ্ত হৈ যায়।

### ঈশ্বৰে পৰীক্ষা নলয়

[১২]সেইজন ব্যক্তি ধন্য যি জনে পৰীক্ষাত স্হিৰ হৈ থাকে কিয়নো পৰীক্ষাত সিদ্ধ হোৱাৰ পাছত তেওঁ জীৱনৰ বিজয়ৰ কিৰীটি পাব, যিটো ঈশ্বৰে নিজৰ প্ৰেম কৰাবিলাকক দিবলৈ প্ৰতিজ্ঞা কৰিছে। [১৩]পৰীক্ষাৰ সময়ত কোনেও এইটো কব নালাগে যে মই "ঈশ্বৰৰ দ্বাৰা পৰীক্ষিত হৈছোঁ," কিয়নো মন্দ বিষয়ত ঈশ্বৰৰ কোনো সম্পৰ্ক নাই। তেওঁ কাৰো পৰীক্ষা নকৰে। [১৪]প্ৰত্যেক মানুহ নিজৰেই কু-অভিলাষৰ ভ্ৰান্তত পৰি পৰীক্ষিত হয়। [১৫]পাছে যেতিয়া সেই কু-অভিলাষ গৰ্ভৱতী হয় তেতিয়া পাপ বাঢ়ি যায় আৰু সি মৃত্যুক জন্ম দিয়ে।

[১৬]এতেকে মোৰ প্ৰিয় ভাইবিলাক, তোমালোক ভ্ৰান্ত নহবা। [১৭]সকলো উত্তম দান আৰু সিদ্ধ বৰ ওপৰৰ পৰাহে পোৱা যায়।আৰু সেই পৰম পিতৃৰ দ্বাৰা যি স্বৰ্গীয় পোহৰক জন্ম দিছে, তললৈ নমাই অনা হয়। সেইবোৰ নক্ষত্ৰবিলাকৰ গতিবিধিৰ ছাঁ ৰে কেতিয়াও পৰিৱৰ্তন নহয় [১৮]সত্যৰ সুসংবাদৰ দ্বাৰা নিজৰ সন্তান হবলৈ আমাক নিযুক্ত কৰিলে। যাতে আমি সকলো প্ৰাণীবিলাকৰ মাজত তেওঁৰ প্ৰথম ফচলৰ প্ৰথম ফল হিচাপে সিদ্ধ হওঁ।

### শুনা আৰু তাতেই চলা

[১৯]হে মোৰ প্ৰিয় ভাইবিলাক, মনত ৰাখিবা, প্ৰত্যেক মানুহ খৰকৈ শুনিব লাগে, কবলৈ ধীৰ হব লাগে, ক্ৰোধতো ৰাগিয়াল হব নালাগে। [২০]কিয়নো মানুহৰ ক্ৰোধেৰে ঈশ্বৰৰ ধাৰ্মিকতা উৎপন্ন নহয়। [২১]সকলো প্ৰকাৰৰ ঘিণলগা আৰু চুৰি আৰু সিঁচৰিত হৈ থকা দুষ্টতাৰ পৰা নিজকে বিৰত ৰাখা। আৰু নম্ৰভাৱে তোমালোকৰ হৃদয়ত ৰোৱা ঈশ্বৰৰ বাক্যক গ্ৰহণ কৰা যি তোমালোকৰ আত্মাৰ পৰিত্ৰাণ কৰিব পাৰে।

[২২]ঈশ্বৰৰ বাক্যত চালিত হোৱা, কেৱল মাত্ৰ শুনোতা হব নালাগে।যদি তোমালোকে কেৱল শুনোতা মাথোন হোৱা তেন্তে তোমালোক নিজকে ঠগিছা। [২৩]কিয়নো যদি কোনোবাই ঈশ্বৰৰ বাক্য কেৱল শুনোতা হয় আৰু পালন কৰোঁতা নহয়, তেন্তে তেওঁ সেই পুৰুষৰ সমান হয় যি দৰ্পনত নিজৰ স্বাভাৱিক মুখ দেখা পায়। [২৪]তেওঁ নিজকে ভালদৰে চাই, কিন্তু তাৰ পৰা যোৱাৰ পাছত সোনকালেই তেওঁ কেনেকুৱা আছিল তাক পাহৰি যায়। [২৫]কিন্তু যি জনে ঈশ্বৰৰ সেই সম্পূৰ্ণ সিদ্ধ বিধানলৈ দৃষ্টি কৰে, যি স্বাধীনভাৱে পোৱা যায় আৰু সেইধৰণে আচৰণ কৰে, আৰু শুনি পাহৰোঁতা নহৈ নিজৰ আচাৰ ব্যৱহাৰ কৰি থাকে, তেওঁহে নিজৰ কৰ্ম্মৰ বাবে ধন্য হব।

### ভক্তিৰ সত্য পথ

[২৬]যদি কোনোৱে ভাৱে যে তেওঁ এজন ধাৰ্মিক আৰু নিজৰ জীবাক দমন নকৰে তেন্তে তেওঁ ভ্ৰান্তত আছে। তেওঁৰ ভক্তি নিৰৰ্থক। [২৭]পৰম পিতৃ ঈশ্বৰৰ আগত শুদ্ধ আৰু নিৰ্মল ভক্তি সেইটোৱেই যি মাউৰা আৰু বিধৱাবিলাকক তেওঁবিলাকৰ ক্লেশৰ কালত চাবলৈ যায় আৰু নিজকে কোনো সাংসাৰিক কলংঙ্কত পৰিবলৈ নিদিয়ে।

## সকলোকে প্ৰেম কৰা

২ ১হে মোৰ ভাইবিলাক, আমাৰ মহিমাময় প্ৰভু যীচু
খ্ৰীষ্টত যি তোমালোকৰ বিশ্বাস আছে, সেয়া পক্ষপাত
নহওক। ২কল্পনা কৰা তোমালোকৰ সভাত কোনো ব্যক্তিয়ে
সোণৰ আঙুঠি আৰু উজ্বল বস্ত্ৰ পৰিধান কৰি আহিছে। আৰু
তেতিয়াই মলিন বস্ত্ৰ পৰিধান কৰা এজন দৰিদ্ৰ আহিল।
৩আৰু তুমি যি জনে উজ্বল বস্ত্ৰ পৰিধান কৰিছে, তেওঁক
বিশেষ ভাৱে চাই কোৱা যে “ইয়াতে এই উত্তম ঠাইত
বহক” আৰু সেই দৰিদ্ৰ ব্যক্তিক কোৱা, “সৌখিনিতে থিয়
হৈ থাক” বা “মোৰ এই ভৰিৰ পীৰাৰ তলতে বহ।” ৪এনে
কৰি কি তোমালোকে নিজৰ মাজতে প্ৰভেদ নকৰিলানে
আৰু কু-বিবেচনাৰে সৈতে বিচাৰকৰ্ত্তা নহলানে?
৫হে মোৰ প্ৰিয় ভাইবিলাক, শুনা ঈশ্বৰে কি সংসাৰত
যিবিলাক দৰিদ্ৰ তেওঁলোকক বিশ্বাসত ধনৱন্ত আৰু সেই
ৰাজ্যৰ উত্তৰাধিকাৰী ৰুপে নিযুক্তি কৰা নাইনে, যিহৰ তেওঁ,
যিবিলাকে তেওঁক প্ৰেম কৰে, দিবলৈ প্ৰতিজ্ঞা কৰিছে।
৬কিন্তু তোমালোকে সেই দৰিদ্ৰৰ প্ৰতি অনাদৰ কৰিলা।এই
ধনৱন্ত ব্যক্তি সেইবিলাকেই নহয় জানো, যিবিলাকে
তোমালোকক অত্যাচাৰ কৰে আৰু তোমালোকক সোধৰ
আসনৰ আগলৈ টানি নিয়ে? ৭এওঁলোক সেইবিলাকেই
নহয় জানো, যিবিলাকে খ্ৰীষ্টৰ উত্তম নামৰ নিন্দা কৰে, যি
নাম তোমালোকক দিয়া হৈছে?
৮যদি তোমালোকে শাস্ত্ৰৰ ৰাজকীয় ব্যৱস্হাক সঁচাকৈয়ে
পালন কৰা, “নিজৰ চুবুৰীয়াক তেনেকুৱাই প্ৰেম কৰা,
যেনেকৈ তোমালোকে নিজকে প্ৰেম কৰা।”[a] তেনেহলে
তোমালোক ভালেই কৰিছা। ৯কিন্তু যদি তোমালোকে
পক্ষপাত কৰিছা তেন্তে তোমালোকে পাপ কৰিছা। আৰু
তোমালোকক বিধানৰ আজ্ঞালংঘনকাৰী বুলি দোষী কৰা হব।
১০কিয়নো যদি কোনোবাই সমস্হ বিধান আজ্ঞা পালন
কৰে আৰু যদি এটি কথাত ত্ৰূটি হয় তেন্তে তেওঁ সমস্হ
বিধান লংঘনৰ দোষী হৈ পৰে। ১১কিয়নো যি জনাই কলে,
“ব্যাভিচাৰ নকৰিবা”[b] তেৱেঁই ইয়াকো কৈছিল, “নৰবধ
নকৰিবা।”[c] সেয়ে যদি তোমালোকে ব্যভিচাৰ নকৰা কিন্তু
নৰবধ কৰা তেনেহলে তোমালোকে বিধান-লংঘনকাৰী
হলা।
১২তোমালোকে সেইবিলাকৰ দৰে কোৱা আৰু
সেইবিলাকৰ নিচিনা আচৰণ কৰা যিবিলাকৰ সোধ-বিচাৰ
সেই বিধানৰ অনুসাৰেই হব, যিহৰে পৰিত্ৰাণ পোৱা যায়।
১৩যিবিলাক দয়ালু নহয়, তেওঁলোকৰ কাৰণে ঈশ্বৰৰ সোধ-
বিচাৰো নিৰ্দ্দয় হব। কিন্তু দয়াই বিচাৰত জয়ী হয়।

## বিশ্বাস আৰু সৎ কৰ্ম্ম

১৪হে মোৰ ভাইবিলাক, যদি কোনোৱে কয় যে মোৰ
বিশ্বাস আছে ইয়াৰে কি লাভ যেতিয়ালৈকে তেওঁৰ কৰ্ম্ম
বিশ্বাসৰ অনুকুল নহয়? এনে বিশ্বাসে কি তেওঁৰ পৰিত্ৰাণ
কৰিব পাৰেনে? ১৫যদি ভাই ভনীক বস্ত্ৰৰ আৱশ্যকতা থাকে,
আৰু তেওঁলোকৰ লগত খাবলৈ আহাৰো নাথাকে ১৬আৰু
তোমালোকৰ কোনোবাই যদি কয়, “শান্তিৰে যোৱা, ঈশ্বৰে
তোমাক দয়া কৰিব, গাত উম লগাই ভালধৰণে ভোজন পান
কৰা” আৰু তোমালোকে তেওঁলোকৰ শৰীৰৰ আৱশ্যকীয়
বস্তুবোৰ নিদিয়া তেনেহলে কি লাভ? ১৭এই দৰেই যদি
বিশ্বাসৰ সৈতে কৰ্ম্ম নাথাকে তেন্তে সি অকলে মৰা।
১৮কিন্তু কোনোবাই কব পাৰে, “তোমাৰ লগত বিশ্বাস
আছে, কিন্তু মোৰ লগত কৰ্ম্ম আছে বাৰু এতিয়া তুমি
বিনাকৰ্ম্মই তোমাৰ বিশ্বাস দেখুউৱা আৰু মই মোৰ কৰ্ম্মৰ
দ্বাৰাই বিশ্বাস দেখুৱাম।” ১৯কি তোমালোকে বিশ্বাস কৰা
নে যে ঈশ্বৰ এজনাই? ভাল কৰিছা! দুষ্টআ্বাবোৰেই বিশ্বাস
কৰে যে ঈশ্বৰ আছে আৰু ভয়ত চিঞঁৰে আৰু কঁপি থাকে।
২০হেৰৌ মুৰ্খ! কৰ্ম্ম অবিহনে বিশ্বাস যে ব্যৰ্থ তাৰ প্ৰমান
লাগে নেকি? ২১আমাৰ পিতৃ আব্ৰাহামে নিজৰ কৰ্ম্মৰ দ্বাৰাই
ধাৰ্মিক বুলি গণিত হোৱা নাছিলনে যেতিয়া তেওঁ নিজৰ
পুত্ৰ ইচাহাকক বেদীৰ ওপৰত উসৎৰ্গিত কৰিছিল? ২২তুমি
চোৱা যে, তেওঁৰ সেই বিশ্বাস তেওঁৰ কৰ্ম্মৰ সৈতে সক্ৰিয়
হৈ আছিল। আৰু তেওঁৰ কৰ্ম্মৰ দ্বাৰাই তেওঁৰ বিশ্বাস
পৰিপূৰ্ণ কৰা হৈছিল। ২৩এই দৰেই শাস্ত্ৰীয় বচন সিদ্ধ
হৈছিল, “আব্ৰাহামে ঈশ্বৰত বিশ্বাস কৰিলে আৰু বিশ্বাসৰ
আধাৰতেই তেওঁ ধাৰ্মিক বুলি গণিত হল”[d] আৰু ইয়াৰেই
তেওঁক “ঈশ্বৰৰ মিতিৰ”[e] বোলা হল। ২৪তুমি চোৱা যে
কেৱল বিশ্বাসেৰেই নহয়, কিন্তু নিজৰ কৰ্ম্মৰ দ্বাৰাই ব্যক্তি
ধাৰ্মিক গণিত হয়।
২৫এই দৰে ৰাহাব বেশ্যায়ো সেই সময়ত নিজৰ কৰ্ম্মৰ
দ্বাৰা ধাৰ্মিক বুলি গণিত হল, যেতিয়া তেওঁ দূতবিলাকক
নিজৰ ঘৰত আলহীকৈ ৰাখি আৰু আন বাটেদি পঠাই দিলে।
২৬এইদৰেই যেনেকৈ আত্মা অবিহনে শৰীৰ মৰা,
তেনেকৈয়ে কৰ্ম্মবিহীন বিশ্বাসো নিৰ্জীৱ!

## (বাক্যৰ সহিঞ্চুতা)

৩ ১হে মোৰ ভাইবিলাক, তোমালোকৰ অনেক শিক্ষক
হবলৈ ইচ্ছা কৰিব নালাগে।তোমালোকে জানা যে
আন শিক্ষক বিলাকতকৈ আমাৰ ভাৰী সোধ-বিচাৰ কৰা হব।
২মই তোমালোকক এই কাৰণে চেতনা দিছোঁ যে আমাৰ
সকলোৰে অনেক ভূল হৈয়েই থাকে।যদি কোনোবাই
কোৱাত কোনো ভুল নকৰে তেওঁ সিদ্ধ লোক, তেনেহলে
এনে কোন আছে যি সকলোতে দমন কৰিবলৈ সমৰ্থ?
৩আমি ঘোঁৰাবোৰৰ মুখত লাগাম দিওঁ যাতে সিহঁত আমাৰ
বশীভূত হয় আৰু এইদৰে সিহঁতৰ গোটেই শৰীৰটো নিজৰ
বশীভূতত ৰাখিব পাৰোঁ। ৪অথবা পানী জাহাজবোৰৰ
উদাহৰণো লব পৰা যায়। চোৱা সেইবোৰ যিমানেই ডাঙৰ
নহওক কিয় আৰু প্ৰচণ্ড বতাহেৰে চালিত হলেও এটি সৰু

[a] ২:৮ উদ্ধৃতি লেবীয়া পুস্তক ১৯:১৮
[b] ২:১১ উদ্ধৃতি যাত্ৰাপুস্তক ২০:১৪; দ্বিতীয় বিৱৰণ ৫:১৮
[c] ২:১১ উদ্ধৃতি যাত্ৰাপুস্তক ২০:১৩; দ্বিতীয় বিৱৰণ ৫:১৭
[d] ২:২৩ উদ্ধৃতি আদিপুস্তক ১৫:৬
[e] ২:২৩ উদ্ধৃতি ২ম বংশাৱলী ২০:৭; যিচয়া ৪১:৮

হালিৰে নাৱিকে সেইবোৰ যলৈকে ইচ্ছা কৰে তলৈকে
নিবলৈ বশীভূত কৰিব পাৰে।, ৫এইদৰে জিবাও শৰীৰৰ এটি
ক্ষুদ্ৰ অঙ্গ, কিন্তু ডাঙৰ ডাঙৰ মহাদৰ্পৰ কথা কয়।
এতিয়া অলপ চিন্তা কৰা কিমান অলপ জুইয়ে সমগ্ৰ
জংঘলক পুৰি পেলাব পাৰে। ৬হয়, জিবাও এক অগ্নিস্বৰূপ,
ই এক অধৰ্মময় জগতস্বৰূপ।এই জিবা আমাৰ শৰীৰৰ
এটা এনে অঙ্গ, যি সমস্হ শৰীৰক নষ্ট কৰি পেলাই আৰু
আমাৰ জীৱনত জুই লগাই দিয়ে।এই জিবাত নৰকৰ অগ্নিৰে
প্ৰজ্বলিত হৈ থাকে।
৭চোৱা, সকলো প্ৰকাৰৰ হিংসুক পশু, পক্ষী, উৰগ
আৰু জলজন্তু মানুহৰ দ্বাৰাই বশীভূত কৰিব পৰা যায় আৰু
কৰা হৈছেও। ৮কিন্তু জিবাক কোনো মানুহে দমন কৰিব
নোৱাৰে। ই ঘাতক বিহেৰ পৰিপূৰ্ণ এক দুষ্টতা যি কেতিয়াও
শান্ত নহয়। ৯আমি ইয়াৰেই প্ৰভু আৰু ঈশ্বৰক স্তুতি কৰোঁ
আৰু ইয়াৰেই লোক বিলাকক যি ঈশ্বৰৰ সাদৃশ্যই উৎপন্ন
সৃষ্টি হৈছে তেওঁলোকক শাও দিওঁ। ১০একেটা মুখেৰেই
আৰ্শীবাদ আৰু শাও ওলায়। মোৰ ভাইবিলাক, এনে
হোৱাটো উচিত নহয়। ১১সোঁতৰ একেটা ভূমুকৰ পৰা
সোৱাদ আৰু তিতা দুয়ো প্ৰকাৰৰ পানী ওলায় নে? ১২মোৰ
ভাইবিলাক ডিমৰু গছত জলফাই নাইবা দ্ৰাক্ষলতাত ডিমৰু
ফল ধৰিব পাৰেনে? নিশ্চয় নোৱাৰে। আৰু লোণা পানীয়ে
কেতিয়াও সোৱাদ পানী নিৰ্গত কৰিব নোৱাৰে।

### সত্য বিবেক

১৩তোমালোকৰ মাজত, জ্ঞানী আৰু সুবুদ্ধি কোন? যি আছে,
তেওঁ নিজৰ সদাচৰণৰ দ্বাৰা এইটো দেখুৱাই দিয়ক যে
তেওঁৰ কৰ্ম্ম সেই জ্ঞানমূলক মৃদুতাত সংলগ্ন হৈ আছে।
১৪কিন্তু তোমালোকৰ হৃদয়ত যদি ভয়ঙ্কৰ ঈৰ্ষা আৰু
স্বাৰ্থপৰেৰে ভৰি আছে, তেনেহলে নিজৰ জ্ঞানৰ ঢোল
কোবাব নালাগে। এনে কৰি তোমালোক সত্যক ঢাঁকি দিছা
আৰু অসত্য কৈ আছা। ১৫এনে “জ্ঞান” ওপৰৰ পৰা অৰ্থাৎ
স্বৰ্গৰ পৰা প্ৰাপ্তি নহয়, কিন্তু সেইয়ে ভৌতিক। আত্মিক নহয়
অৰ্থাৎ চয়তানৰ হয়। ১৬কিয়নো যত ঈৰ্ষা আৰু স্বাৰ্থপৰৰ
আকাংঙ্খা থাকে, তাত দন্দ আৰু সকলো প্ৰকাৰৰ কুকৰ্ম্মৰ
কথা থাকে। ১৭কিন্তু স্বৰ্গৰ পৰা অহা জ্ঞান সৰ্বপ্ৰথমে পবিত্ৰ,
পাছে শান্তিপূৰ্ণ, ক্ষান্ত-স্বভাৱী, দয়াপূৰ্ণ হয়।আৰু সেইবোৰৰ
পৰা উত্ত্ম কৰ্ম্মৰ ফল উৎপন্ন হয়। সেইবোৰ অকপট
আৰু সত্যতাৰে পৰিপূৰ্ণও হয়। ১৮শান্তিৰ নিমিত্তে কাম
কৰাবিলাকৰহে ধাৰ্মিক জীৱনৰ ফল প্ৰাপ্তি হব যদি সেইবোৰ
শান্তিপূৰ্ণ বাতাবৰণত ৰোৱা হয়।

### ঈশ্বৰতেই সমৰ্পিত হৈ যোৱা

**4** ১তোমালোকৰ মাজত ৰণ-যুদ্ধ কিয় হয়? কি
এইবোৰৰ কাৰণ তোমালোকৰ নিজৰ ভিতৰতে
নাইনে? তোমালোকৰ সেই ভোগ-বিলাসৰ ইচ্ছাবোৰ
যিবোৰে তোমালোকৰ অন্তৰত সঘনাই বিতাড়িত কৰি থাকে,
এইবোৰৰ পৰাই ৰণ-যুদ্ধ উৎপন্ন নহয়নে? ২তোমালোকে
বিচৰা কিন্তু তোমালোকে নোপোৱা।তোমালোক ঈৰ্ষাৰে
পৰিপূৰ্ণ আৰু তোমালোকে নৰ-বধ কৰা, তথাপিও
তোমালোকে যি বিচৰা সেইটো নোপোৱা। আৰু
সেইকাৰণে ৰণ-যুদ্ধ কৰি থাকা। নিজৰ ইচ্ছাৰ বস্তুবোৰ
পাব নোৱাৰা কিয়নো তোমালোকে সেইবোৰ ঈশ্বৰক
নোখোজা। ৩আৰু যাচনাও কৰা কিন্তু তোমালোকৰ উদেশ্য
ভাল নহয়।কিয়নো তোমালোকে এইবোৰ ভোগ-বিলাসত
ব্যয় কৰিবলৈহে যাচনা কৰা।
৪হে, অবিশ্বাসী লোকবিলাক! কি তোমালোকে
নাজানানে যে সংসাৰক প্ৰেম কৰাটো ঈশ্বৰক ঘৃণা কৰা
হয়? যি জনে জগতৰ মিত্ৰ হবলৈ ইচ্ছা কৰে, তেওঁ নিজে
নিজকে ঈশ্বৰৰ শত্ৰু কৰি লয়। ৫নাইবা তোমালোকে এনে
ভাৱা নেকি যে শাস্ত্ৰত এনে অনৰ্থকৰূপে কয় যে, “ঈশ্বৰে
আমাৰ অন্তৰত যি আত্মা দিছে, সি ঈৰ্ষাপূৰ্ণ ইচ্ছাৰে পৰিপূৰ্ণ
হৈ থাকে।” ৬কিন্তু ঈশ্বৰে আমালৈ অত্যাধিক অনুগ্ৰহ দান
কৰিছে, এই নিমিত্তে শাস্ত্ৰত কোৱা হৈছে, “ঈশ্বৰ অহঙ্কাৰী
বিলাকৰ বিৰুধ কৰে, কিন্তু নম্ৰবিলাকক নিজৰ অনুগ্ৰহ দান
কৰে।”[a]
৭এতেকে নিজকে তোমালোকে ঈশ্বৰৰ অধীন
হোৱা।চয়তানক প্ৰতিৰোধ কৰা, সি তোমালোকৰ
আগৰ পৰা পলাই যাব। ৮ঈশ্বৰৰ ওচৰলৈ আঁহা, তেৱোঁ
তোমালোকৰ ওচৰলৈ আহিব। হে পাপীবিলাক! নিজৰ
হাতবিলাক শুচি কৰা আৰু হেৰৌ সন্দেহ কৰাবিলাক,
নিজৰ হৃদয়বিলাকক পবিত্ৰ কৰা। ৯শোক কৰা, ক্ৰন্দন
কৰা আৰু দু:খী হোৱা। হব পাৰে তোমালোকৰ এই হাঁহি
শোকলৈ আৰু তোমালোকৰ প্ৰসন্নতা বিষাদলৈ পৰিবৰ্তীত
হৈ যাওক। ১০প্ৰভুৰ আগত নিজকে নত কৰা। তেওঁ
তোমালোকক উন্নত কৰিব।

### বিচাৰকৰ্ত্তা তোমালোক নোহোৱা

১১হে ভাইবিলাক, ইজনে সিজনৰ বিৰুদ্ধে কথা নকবা। যি
জনে নিজৰেই ভাইৰ বিৰুদ্ধে কয়, অথবা তেওঁক দোষী
কৰে, তেওঁ বিধানৰেই বিৰুদ্ধে কয় আৰু বিধানক দোষী
সাব্যস্হ কৰে। আৰু যদি তোমালোকে বিধান বিৰুদ্ধে
কথা কোৱা তেন্তে বিধানৰ পালন কৰোঁতা নোহোৱা কিন্তু
বিধানৰ বিচাৰকৰ্ত্তা হৈছা। ১২বিধানৰ ব্যৱস্হা দিওঁতা আৰু
তাৰ সোধ-বিচাৰ কৰোঁতা এজনাহে। আৰু তেৱেঁই ৰক্ষা
কৰিব পাৰে আৰু তেৱেঁই নষ্টও কৰিব পাৰে। তেনেহলে
নিজৰ বন্ধুৰ সোধ-বিচাৰ কৰা তুমিনো কোন?

### নিজৰ জীৱনক ঈশ্বৰক চলাব দিয়া

১৩এনে কোৱাবিলাক শুনা, “আজি বা কালি আমি এইখন
বা সেইখন নগৰলৈ গৈ তাতে এবছৰ থাকি বেহা-বেপাৰ
কৰি বহুত লাভ কৰিম।” ১৪কিন্তু তোমালোকে ইয়াক
নাজানা যে কালিলৈ তোমালোকৰ জীৱনত কি ঘটিব!

[a] *4:৬* উদ্ধৃতি হিতোপদেশ ৩:৩৪

চোৰা, তোমালোক সেই ভাপস্বৰূপ যি এক্ষন্তেকৰ কাৰণে
দেখা পোৱা হৈ পাছত হেৰাই যায়। ১৫সেয়ে এই ঠাইত
তোমালোকে ইয়াকে কোৱা উচিত যে, “যদি প্ৰভুৱে ইচ্ছা
কৰে তেনেহলে আমি জীয়াই থাকি এই কৰ্ম্ম বা সেই কৰ্ম্ম
কৰিম।” ১৬কিন্তু কথা হল যে তোমালোকে নিজৰ নিজৰ
দৰ্প-কথাত নিজেই শ্লাঘা কৰিছা। এনে সকলো শ্লাঘাবোৰ
মন্দ। ১৭এতেকে উচিত কি ইয়াক জানিও, তাক নকৰাটো
পাপ।

## স্বাৰ্থপৰ ধনৱন্ত লোকে দণ্ডৰ ভাগী হব

৫ ১হে ধনৱন্তসকল শুনা, যি যি দুৰ্দশা তোমালোকলৈ
আহিব, তাৰ কাৰণে ক্ৰন্দন কৰা আৰু উচ্ছ স্বৰে
বিলাপ কৰা। ২তোমালোকৰ ধন সম্পত্তি গেলি-পচি গল।
তোমালোকৰ কাপোৰ পোকে খোৱা হল। ৩তোমালোকৰ
সোণ-ৰূপ মামৰ লগাত নষ্ট হল। সেইবোৰত লগা মামৰে
তোমালোকৰ বিপক্ষয সাক্ষ্য দিব আৰু তোমালোকৰ
মঙহ জুইৰ দৰে গ্ৰাস কৰিব। তোমালোকে নিজৰ ধন সেই
আয়ুত সাঁচিলা যিহৰ শেষ কাল আহিবলৈ হল। ৪চোৱা,
তোমালোকৰ পথাৰত যিবোৰ বনোৱাই কাম কৰিলে,
তোমালেকে তেওঁলোকৰ বেচ ৰাখি থলা। সেই বেচে
আটাহ পাৰিছে আৰু পথাৰত কাম কৰাবিলাকৰ চিঞৰ
সৰ্বশক্তিমান প্ৰভুৰ কাণলৈকে গৈ পালে।
৫পৃথিৱীত তোমালোকে সুখ-পূৰ্ণ জীৱন নিয়ালা আৰু
নিজকে ইন্দ্ৰিয়-সুখাভিলাসেৰে দিন নিয়ালা।এই ধৰণে
তোমালোকে নিজে নিজকে বধ কৰিবৰ নিমিত্তে পালন-
পোষন কৰি হৃষ্ট-পুষ্ট কৰিলা। ৬তোমালোকে ধাৰ্মিক
লোকক দোষী সাব্যস্হ কৰি তেওঁলোকৰ প্ৰতিৰোধৰ
অভাৱত তেওঁলোকৰ বধ কৰিলা।

## ধৈৰ্য্য ধৰা

৭এতেকে ভাইবিলাক, প্ৰভুৰ পুনৰ অহালৈ ধৈৰ্য্য ধৰা। সেই
খেতিয়কে খেতিৰ বহুমূল্য শস্যলৈ বাট চাই থাকে।তাৰ
কাৰণে তেওঁ আৰম্ভণিৰ পৰা লৈ শেষৰ বৰষুণলৈকে
নিৰন্তৰে বাট চাই থাকে। ৮তোমালোকেও ধৈৰ্য্যৰে সৈতে
বাট চাই থাকিব লাগিব।নিজৰ নিজৰ হৃদয়ক দৃঢ়তাৰে
থিৰে ৰাখা কিয়নো প্ৰভুৰ পুন:আহিবৰ দিন নিচেই ওচৰ।
৯হে ভাইবিলাক, পৰস্পৰে বিৰুদ্ধে আৰ্ত্তাস্বৰ নকৰিবা
যাতে তোমালোককো দোষী সাব্যস্হ কৰা নহওক।চোৱা,
বিচাৰকৰ্ত্তা ভিতৰলৈ আহিবলৈ দুৱাৰ মুখতে থিয় হৈ আছে।
১০হে ভাইবিলাক, সেই ভাৱবাদীসকলক সোঁৱৰণ
কৰা যিবিলাকে প্ৰভুৰ নামেৰে কলে। তেওঁলোক আমাৰ
কাৰণে যাতনা সহনকাৰী আৰু ধৈৰ্য্যপূৰ্ণতাৰ উদাহৰণ।
১১মনত ৰাখিবা, আমি তেওঁলোকৰ ধৈৰ্য্যতাৰ কাৰণে ধন্য
বোলো।তোমালোকে ইয়োবৰ ধৈৰ্য্যৰ বিষয়ে শুনিছাই আৰু
প্ৰভুৱে তেওঁক তেওঁৰ যি পৰিণাম প্ৰদান কৰিলে, ইয়াকো
তোমালোকে জানাই যে প্ৰভু কিমান দয়ালু আৰু স্নেহৱান
আছে।

## ভাৰি চিন্তি কৰা

১২হে মোৰ ভাইবিলাক, সকলোতকৈ ডাঙৰ কথাটো হল
যে স্বৰ্গ বা পৃথিৱীৰ বা আন কোনো ধৰণৰ শপত নাখাবা।
তোমালোকৰ “হয়”, হয় হওক, আৰু “নহয়” নহয় হওক।
যাতে তোমালোকে ঈশ্বৰৰ দণ্ডত নপৰা।

## প্ৰাৰ্থনাৰ সমৰ্থ

১৩যদি তোমালোকৰ কোনোবাই বিপদত পৰি আছে তেন্তে
তেওঁ প্ৰাৰ্থনা কৰক আৰু যদি কোনোবাই হৰ্ষিত হৈছে
তেন্তে তেওঁ স্তুতিগান কৰক। ১৪যদি তোমালোকৰ মাজত
কোনোবা নৰীয়া পৰিছে তেন্তে তেওঁ মণ্ডলীৰ বৃদ্ধলোকক
মাতক তাতে তেওঁলোকে তেওঁৰ কাৰণে প্ৰাৰ্থনা কৰক
আৰু তেওঁৰ গাত প্ৰভুৰ নামেৰে তেল ঘঁহক। ১৫বিশ্বাসৰ
সৈতে কৰা প্ৰাৰ্থনাৰ দ্বাৰা নৰীয়াজন সুস্হহৈ যাব। আৰু
প্ৰভুৱে তেওঁক তুলি উঠাব।যদি তেওঁ পাপ কৰিছে তথাপি
প্ৰভুৱে তেওঁক ক্ষমা কৰি দিব।
১৬এই কাৰণে নিজৰ পাপবোৰ পৰস্পৰে স্বীকাৰ কৰা আৰু
ইজনে সিজনৰ নিমিত্তে প্ৰাৰ্থনা কৰা যাতে তোমালোকে
সুস্হ হব পাৰা। ধাৰ্মিক ব্যক্তিৰ প্ৰাৰ্থনা শক্তিশালী আৰু
প্ৰভাৱপূৰ্ণ হয়। ১৭ভাৱবাদী এলিয়া এজন মানুহ আছিল ঠিক
আমাৰ নিচিনা। তেওঁ বৰষুণ নহবলৈ দৃঢ় প্ৰাৰ্থনা কৰিলত
তিনি বছৰ ছমাহলৈকে পৃথিৱীত বৰষুণ নহল। ১৮তেওঁ
আকৌ প্ৰাৰ্থনা কৰিলত আকাশত মেঘ আহিল আৰু বৰষুণ
হল আৰু পৃথিৱীয়ে নিজ ফল উৎপন্ন কৰিলে।

## এক আত্মাৰ ৰক্ষা

১৯হে মোৰ ভাইবিলাক, তোমালোকৰ মাজৰ পৰা যদি
কোনোবাই সত্যৰ পৰা ভ্ৰান্ত হয় আৰু কোনোবাই
তেওঁক পুনৰ ঘুৰাই আনে তেন্তে তেওঁ জানিব লাগে যে
২০যি কোনোৱে পাপৰ পথৰ পৰা ঘুৰাই আনে তেওঁ সেই
পাপীজনৰ আত্মাক অনন্ত মৃত্যুৰ পৰা ৰক্ষা কৰে আৰু তেওঁৰ
অনেক পাপবোৰ ক্ষমা কৰাৰ কাৰণ হয়।